# ষষ্ঠ অধ্যায়

6। **অসমৰ আৰ্থিক সমস্যাৱলী (Economic Problems of Assam)** ঃ ভাৰতবৰ্ষৰ উত্তৰ-পূব অঞ্চলত অৱস্থিত অসম প্ৰাকৃতিক তথা ভৌগোলিকভাৱেই ভাৰতৰ অন্য ৰাজ্যসমূহৰ তুলনাত পৃথক। প্ৰায় সকলো ফালৰ পৰাই পাহাৰে আগুৰা ঠেক দীঘলীয়া ভূ-খণ্ড বিশিষ্ট দেশখনৰ ঠিক মাজে-মাজে সাতশ বিছ কিলোমিটাৰ জোৰা বিশাল নদী ব্ৰহ্মপুত্ৰই দেশখনক সমানে দুভাগ কৰাত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ মাজত পৰিবহনৰ সংযোগ স্থাপন সদায়েই এক সমস্যাৰূপে দেখা দি আহিছে। পুনৰ অসংখ্য সৰু-বৰ নদীয়ে ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক আৰু তাৰ উপনদীসমূহে বৰাক উপত্যকাত পৰিবহনৰ অন্য এক সমস্যাৰূপে দেখা দিছে। ইয়াৰ উপৰিও অসমত আন কিছুমান আৰ্থিক সমস্যা দেখা পোৱা যায়। সেইসমূহ হ'ল—

(1) অসমৰ জনসম্পদৰ উন্নয়ন।

(2) নিবনুৱা সমস্যা।

(3) বাহিৰাগত সমস্যা আৰু ইয়াৰ প্ৰভাৱ।

(4) বানপানী আৰু খহনীয়া সমস্যা।

(5) কৃষি শ্ৰমিকৰ সমস্যা।

(6) ছদ্মবেশী নিবনুৱা সমস্যা।

(7) সীমামুৰীয়া স্থানসমূহৰ উন্নয়ন ইত্যাদি।

তলত এই সমস্যাৰাজিৰ বিষয়ে আলোচনা কৰা হ'ল।

6.1। **অসমৰ জনসম্পদৰ উন্নয়ন (Human Resource Development)** ঃ কোনো এখন অৰ্থনীতিয়ে অৰ্থনৈতিক উন্নয়নৰ গতি ক্ষীপ্ৰ কৰাৰ ক্ষেত্ৰত দেশখনৰ জনসম্পদক এহাতে সম্পত্তি আৰু আনহাতেদি দেখা এই দুয়োটা দিশৰ পৰা বিবেচনা কৰিব পাৰি। দেশ এখনৰ উন্নয়ন সাধন কৰিবলৈ হ'লে এহাতে দেশখনৰ প্ৰাকৃতিক সম্পদসমূহৰ উপযুক্তভাৱে ব্যৱহাৰ

হ'ব লাগিব, অন্যহাতেদি দেশখনৰ জনসম্পদখিনিকো উপযুক্তভাৱে পৰিকল্পিত পদ্ধতিৰে ব্যৱহাৰ কৰিব লাগিব। 1990 চনৰ “Human Developement Report” ৰ মতে মানৱ সম্পদ উন্নয়ন মানে হ'ল জনসাধাৰণৰ প্ৰছন্দৰ সুবিধাৰ সম্প্ৰসাৰণ (“Human Development is thus a process of widening people choice sa well as raising the level of well being achieves.”)। গতিকে মানুহৰ প্ৰছন্দৰ সুবিধাৰ সম্প্ৰসাৰণ এনেদৰে হ'ব লাগে যাতে জনসাধাৰণ এহাতে সুস্বাস্থ্য আৰু দীৰ্ঘ জীৱন লাভ কৰে, অন্যহাতেদি মানৱ অধিকাৰ সুৰক্ষিত হয়। আচলতে মানুহৰ আৰ্থিক, সামাজিক, সাংস্কৃতিক ৰাজনৈতিক, শাৰীৰিক, মনস্তাত্বিক আদি সকলো দিশতে যেতিয়া মানুহে বিচৰাৰ দৰে উন্নতি লাভ কৰে, তাকে মানৱ সম্পদ উন্নয়ণ বুলি কোৱা হয়। মেহবুব উল হক (Mahbub Ul Haq) নামৰ এজন অৰ্থনীতিবিদৰ মতে অৰ্থনীতি এখনৰ আয় বৃদ্ধি পালেই বাকীবোৰ উপাদানৰো সম্প্ৰসাৰণ ঘটে আৰু মানৱ সম্পদৰো উন্নয়ন হ'ব। অৱশ্যে দেশ এখনত আৰ্থিক উন্নয়ণ হ'লেই মানৱ সম্পদৰ উন্নয়ণ নহ'বও পাৰে। উদাহৰণস্বৰূপে পুঁজিবাদী দেশত ধনীক শ্ৰেণী উন্নতি দিনক দিনে বৃদ্ধি পাই গৈয়ে থাকে। এনে ধনীক শ্ৰেণীয়ে সদায়েই নিজৰ জীৱন নিৰ্বাহৰ মানদণ্ড অতি উচ্চ স্তৰৰ কৰি ৰাখিবলৈ যত্ন কৰি নিজৰ সুখ-সুবিধাৰ বাবেহে অধিক খৰছ কৰিব বিচাৰে। পুনৰ প্ৰশাসনিক বিষয়াসকল অধিক দুনীতিত নিমৰ্জিত হৈ দেশৰ জনসাধাৰণক শোষণ কৰাত মনোনিবেশ কৰে। ফলত দেশত শ্ৰেণী বৈষম্যই দেখা দিয়ে। য'ত দুখীয়াসকল অধিক দুখীয়া আৰু ধনীক শ্ৰেণী অধিক ধনীলৈ পৰ্য্যবেশিত হয়। এনে অৱস্থাক মানৱ সম্পদৰ উন্নয়ণ বুলিব নোৱাৰি। অৰ্থাৎ আৰ্থিক উন্নয়ণৰ লগে-লগে মানৱ সম্পদৰ লগত জড়িত অন্যান্যসমূহৰো উন্নয়ণ সাধন হ'ব লাগিব।

6.1.1। **অসমত জনসম্পদৰ উন্নয়নৰ প্ৰয়োজনীয়তা (Importance of Human Resource Development in Assam)** ঃ অসমত জনসম্পদ উন্নয়নৰ প্ৰয়োজনীয়তাসমূহ তলত উল্লেখ কৰা ধৰণৰ। সেইয়া হ'ল—

(1) অসমখনৰ সামগ্ৰীক অৰ্থনৈতিক উন্নয়ন সাধন কৰিবলৈ হ'লে মানৱ সম্পদৰ উন্নয়ন সাধন কৰিবই লাগিব। ইয়াৰ কাৰণ আমি বা দেশ এখনে অৰ্থনৈতিক উন্নয়ন সাধন কৰা মানেই হ'ল মানৱ সম্পদ উন্নয়নৰ লক্ষ্যৰে

আগুৱাই যোৱা। গতিকে মানৱ সম্পদৰ উন্নতিয়ে সৰ্বাংগীন উন্নতিক প্ৰকাশ কৰে।

(2) দ্বিতীয়তে, দেশৰ জনসাধাৰণৰ স্বাস্থ্যৰ উন্নয়ন, শিক্ষাৰ উন্নয়ন, বৌদ্ধিক বিকাশৰ উন্নয়ন, জীৱন নিৰ্বাহৰ মানদণ্ডৰ উন্নয়ন আদিবোৰেই জনসম্পদৰ উন্নয়ন আখ্যা দিয়া হয়। জনসম্পদৰ উন্নয়ন সাধন হ'লেহে দেশৰ উন্নয়ন সাধন হ'ব পাৰে।

(3) জনসম্পদৰ উন্নয়নে পৰিয়ালৰ আকাৰ সীমিত কৰে। জন্মহাৰ হ্ৰাস কৰে; শিক্ষা-দীক্ষাৰ উন্নয়নে নাৰী সমাজকো সচেতন কৰি তোলে। ফলত দেশত জনসাধাৰণৰ পৰিপুষ্টি শিক্ষা আৰু স্বাস্থ্য সম্পৰ্কে সচেতন হয়।

(4) মানৱ সম্পদ উন্নয়নৰ যোগেদি দেশ এখনত পাৰিপাৰ্শ্বিকতাৰ উন্নয়ন সাধন কৰিব পাৰি। দেশত দৰিদ্ৰলোকৰ সংখ্যা সীমিত কৰিব পাৰি, নাগৰিকসকলক শিক্ষিত আৰু সচেতন কৰিব পাৰি, জনসংখ্যা বৃদ্ধি হ্ৰাস কৰিব পাৰি। প্ৰাকৃতিক পৰিবেশ অক্ষুন্ন ৰাখিব পাৰি। শব্দ প্ৰদূষণ, অস্বাস্থ্যকৰ পৰিবেশ, বানাঞ্চল ধ্বংস, ভূমিস্খলন আদিবোৰ নাইকীয়া কৰিব পাৰি।

(5) মানৱ সম্পদৰ উন্নয়নে সামাজিক সুস্থিৰতা ৰক্ষা কৰিব পাৰে।

(6) সমাজত আইন শৃংখলা ৰক্ষা কৰি সুস্থ ৰাজনৈতিক চিন্তাৰে দেশখনক পৰিচালিত কৰিব পাৰি।

(7) সমাজৰ পৰা অন্ধবিশ্বাস, কু-সংস্কাৰবিলাক দূৰ কৰি সমাজক সঠিক বাটত পৰিচালিত কৰিব পাৰি।

6.1.2। **অসমত জনসম্পদৰ উন্নয়নৰ উপাদানসমূহ (Essential Components of Human Development)**ঃ মেহবুব উল হক (Mahbub Ul Haq) নামৰ অৰ্থনীতিবিদজনে জনসম্পদ উন্নয়নৰ চাৰিটা উপাদানৰ কথা উল্লেখ কৰিছে। এই উপাদান কেইটা হ'ল—

(ক) সমতা (Equality)

(খ) বহনযোগ্যতা (Sustainability)

(গ) উৎপাদনশীলতা (Productivity)

(ঘ) ক্ষমতা প্ৰদান (Empowerment)

(ক) **সমতা (Equality)** ঃ প্ৰকৃততে আমি তেনে এটা অৱস্থাকহে জনসম্পদ উন্নয়ন আখ্যা দিব পাৰো, য'ত সমাজৰ সকলো লোকেই দেশখনত উপলব্ধ সকলো সুবিধা সমানে ভোগ কৰিব পাৰে। ইয়াৰ বাবে অৰ্থনীতিখনত উপলব্ধ সকলোবোৰ আৰ্থিক সুবিধা সকলো শ্ৰেণীৰ জনসাধাৰণৰ বাবে সমানে উপলব্ধ হ'ব লাগে। মেহবুব-উল-হকৰ মতে জনসম্পদৰ মাজত অৰ্থনৈতিক ক্ষমতাৰ সমবিতৰণৰ লগতে তলত উল্লেখ কৰা সমূহৰ প্ৰতিও লক্ষ্য ৰাখিব লাগিব। সেইয়া হ'ল—

(1) ভূমি সংস্কাৰ হোৱাৰ লগে-লগে উৎপাদনৰ উপাদানসমূহৰ পুনৰ বিতৰণ হ'ব লাগিব।

(2) ক্ৰমবৰ্ধমান কৰ নীতিৰে ধনীলোকৰ পৰা সম্পদৰ হস্তান্তৰ কৰি দুখীয়ালোকৰ উন্নয়নৰ বাবে খৰছ কৰিব লাগিব।

(3) দেশৰ দৰিদ্ৰ লোকসকলৰ বৰ্ধিত চাহিদা পূৰণ কৰিব পৰাকৈ ঋণৰ সম্প্ৰসাৰণ ঘটাব লাগে।

(4) মুষ্টিমেয় হাতৰ মুঠিত যাতে ক্ষমতা ন্যস্ত হৈ নেথাকে তাৰ বাবে উপযুক্ত প্ৰদক্ষেপ গ্ৰহণ কৰিব লাগিব।

(5) মহিলা আৰু সমাজৰ দূৰ্বল শ্ৰেণীৰ লোকৰ আৰ্থিক সুবিধা লাভৰ বাধাবোৰ সুনিৰ্দিষ্ট ব্যৱস্থা হাতত লোৱা দৰকাৰ।

(খ) **বহনযোগ্যতা (Sustainability)** ঃ কোনো এখন দেশৰ বৰ্তমানৰ পুৰুষসকলে দেশখনৰ পৰা যিবোৰ অৰ্থনৈতিক সুবিধা লাভ কৰিছে সেই সুবিধাবিলাক দেশখনৰ ভৱিষ্যতৰ পুৰুষসকলেও যাতে ভোগ কৰিবলৈ সুবিধা পায় তাৰ প্ৰতি বৰ্তমানৰ পুৰুষসকল সচেতন হ'ব লাগিব। ভৱিষ্যত প্ৰজন্মৰ প্ৰতি চিন্তা কৰি সম্পদ ব্যৱহাৰত মিতব্যয়ী হোৱাকে বহনযোগ্যতা বোলা হয়। সাধাৰণতে বহনযোগ্যতাই মূলধন, ভৌতিক সম্পদ, মানৱ সম্পদ, বিত্তীয় সম্পদ পাৰিপাশ্বিক অৱস্থা আৰু সম্পদৰ নবীকৰণক সামৰি লৈছে।

(গ) **উৎপাদনশীলতা (Productivity)** ঃ মানৱ সম্পদ উন্নয়নৰ আন এটা অতি আৱশ্যকীয় উপাদান হ'ল উৎপাদনশীলতা। দেশখনৰ চৰকাৰ তথা দেশখনৰ জনসাধাৰণে সন্মিলিতভাৱে দেশত উৎপাদনশীলতা বৃদ্ধিৰ বাবে এক

ঐক্যবদ্ধ প্ৰচেষ্টা চলালে নিশ্চিতভাৱে সফলতা লাভ কৰিব পাৰিব আৰু মানৱ সম্পদৰো উন্নয়ন হ'ব। যেতিয়া দেশত বিনিয়োগ বৃদ্ধি পায়, তেতিয়া বিনিয়োগ বৃদ্ধিয়ে নিয়োগ, আয়, উৎপাদন, সঞ্চয়, মূলধন আদি সকলো দিশৰে বৃদ্ধিৰ গতি ত্বৰান্বিত কৰে আৰু মানৱ সম্পদৰ উন্নয়ন বৃদ্ধি কৰে।

(ঘ) **ক্ষমতা প্ৰদান (Empowerment)** ঃ দেশৰ জনসাধাৰণক তেওঁলোকৰ নিজা পছন্দ অনুসৰি কৰ্ম বাচনি কৰাৰ সুবিধা প্ৰদানকে ক্ষমতা প্ৰদান বোলা হয়। ব্যক্তি এজনে যেতিয়া জীৱন নিৰ্বাহৰ সকলো সিদ্ধান্ত মুক্তভাৱে ল'ব পাৰে তেতিয়াই তেওঁ আটাইতকৈ উপযুক্ত সিদ্ধান্ত গ্ৰহণেৰে নিজকে উৎপাদনীয় ক্ষেত্ৰত আত্মনিয়োগ কৰিব পাৰে। ইয়াৰ বাবে দেশৰ চৰকাৰে ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰিব লাগিব। এই ক্ষেত্ৰত দেশৰ চৰকাৰে তলৰ ব্যৱস্থাবোৰ গ্ৰহণ কৰিব লাগিব।

(1) দেশখনৰ জনসাধাৰণৰ মাজত শিক্ষা আৰু স্বাস্থ্যৰ এনেদৰে সম্প্ৰসাৰণ কৰিব লাগিব যাতে প্ৰতিজন ব্যক্তিয়েই বজাৰৰ সুবিধাবোৰ লাভ কৰিব পাৰে।

(2) প্ৰতিজন ব্যক্তিয়েই যাতে প্ৰয়োজনীয় উৎপাদনীয় আহিলাসমূহ সমানে সংগ্ৰহ কৰিব পাৰে তাৰ প্ৰতি চৰকাৰে মনোযোগ দিব লাগিব। প্ৰয়োজনীয় ঋণ গ্ৰহণৰ ক্ষেত্ৰতো একেটা চৰ্তই প্ৰযোজ্য হ'ব লাগিব।

(3) দেশত পুৰুষ আৰু মহিলাৰ মাজত ক্ষমতাৰ হস্তান্তৰকৰণ সমভাৱে হ'ব লাগিব।

6.2। **অৰ্থনৈতিক উন্নয়ন আৰু মানৱ সম্পদ উন্নয়ন (Economic Development and Human Development)** ঃ কোনো এখন দেশৰ অৰ্থনৈতিক উন্নয়ন আৰু মানৱ সম্পদ উন্নয়নৰ মাজত এৰাব নোৱাৰা সম্পৰ্ক আছে। এই সম্পৰ্কবোৰ তলত আলোচনা কৰা হ'ল।

(1) অৰ্থনৈতিক উন্নয়নৰ জৰিয়তে দেশত বিভিন্ন প্ৰকাৰৰ বিনিয়োগ সম্ভৱ হয়। বিনিয়োগ যিমানে বাঢ়ে কৰ্ম সংস্থাপনৰ সুবিধা সিমানে বাঢ়ে। অৱশ্যে বিনিয়োগ দুই প্ৰকাৰৰ আছে। এবিধ হ'ল মূলধন উদ্ভুত বিনিয়োগ (Capital Intensive Investment) আৰু আনবিধ হ'ল শ্ৰম উদ্ভুত বিনিয়োগ (Labour Intensive Investment)। কৰ্ম সংস্থাপনৰ সুবিধা বাঢ়িবলৈ হ'লে শ্ৰম উদ্ভুত উৎপাদনীয় ক্ষেত্ৰতহে বিনিয়োগ বৃদ্ধি কৰিব লাগিব।

(2) দ্বিতীয়তে অৰ্থনৈতিক উন্নয়নৰ জৰিয়তে মানৱ উন্নয়নৰ সাধন কৰিবলৈ হ'লে অৰ্থনৈতিক উন্নয়ন এনেদৰে সাধন কৰিব লাগিব যাতে অৰ্থনৈতিক সা-সুবিধাবিলাক দেশখনৰ সকলো স্তৰৰ জনসাধাৰণৰ মাজত সমভাৱে বিতৰণ কৰিব পৰা যায়।

(3) মানৱ উন্নয়নৰ বাবে শিক্ষা আৰু স্বাস্থ্যৰ উন্নয়ন অতিশয় প্ৰয়োজন। শিক্ষা আৰু স্বাস্থ্যৰ উন্নয়ন এহাতে মানুহৰ কৰ্মস্পৃহা বৃদ্ধি কৰে, অন্যহাতেদি দক্ষতাৰ বৃদ্ধি ঘটায়। এনে হোৱাত উৎপাদন কাৰ্য্যত ব্যয় কমে, কিন্তু উৎপাদন বৃদ্ধি পায়। অৰ্থাৎ শিক্ষা আৰু স্বাস্থ্যৰ উন্নতিয়ে এহাতে মানৱ উন্নয়ন ঘটায়, অন্যহাতেদি আৰ্থিক উন্নয়ন সম্প্ৰসাৰিত কৰে।

(4) দেশখনৰ দৰিদ্ৰ শ্ৰেণীটোৰ উন্নয়নৰ অবিহনে মানৱ উন্নয়ন হৈছে বুলি ক'ব পৰা নেযায়। সেয়েহে দেশত থকা দৰিদ্ৰসকলৰ উন্নয়নৰ হকে দেশৰ সম্পদ তথা মূলধনসমূহৰ ব্যৱহাৰ সম্প্ৰসাৰিত কৰাৰ দৰকাৰ। যাতে সিবিলাকৰ উন্নয়ন সাধনৰ জৰিয়তে এহাতে আৰ্থিক উন্নয়ন আৰু আনহাতেদি মানৱ উন্নয়ন সাধন কৰিব পৰা যায়।

(5) মানৱ সম্পদৰ উন্নতিয়ে দেশৰ অৰ্থনৈতিক কল্যাণ সাধন কৰিব পাৰে। কিন্তু মানৱ কল্যাণ সাধন হ'বলৈ দেশত স্ত্ৰী-শিক্ষা, শিশু কল্যাণ, শিশু শিক্ষা সম্প্ৰসাৰণ আদিৰ ক্ষেত্ৰত দেশৰ চৰকাৰে উপযুক্ত আঁচনি গ্ৰহণ কৰিব লাগিব।

(6) মানৱ কল্যাণ আৰু অৰ্থনৈতিক উন্নয়ন তেতিয়াহে সম্ভৱ যেতিয়া দেশত কাম্যতম পৰিমাণৰ বা তাতোতকৈ কম পৰিমাণৰ জনসংখ্যা থাকে। যি দেশত জনসংখ্যা অত্যাধিক তেনে দেশত অৰ্থনৈতিক উন্নয়ন সম্ভৱ নহয়। গতিকে দেশত উপযুক্ত জনসংখ্যা নীতি, শিক্ষা নীতি, স্বাস্থ্য নীতি, পৰিয়াল পৰিকল্পনা, মাতৃ-মংগল আঁচনি আদি থাকিব লাগিব যাতে এহাতে জনসংখ্যা নিয়ন্ত্ৰণ কৰিব পৰা যায়, অন্যহাতেদি দক্ষ মানৱ সম্পদৰ জৰিয়তে অৰ্থনৈতিক উন্নয়ন কাম্যতম কৰিব পৰা যায়।

6.2.1। **অৰ্থনৈতিক উন্নয়নত মানৱ সম্পদৰ ভূমিকা (Role of Human Resources in Economic Development)** ঃ ওপৰৰ আলোচনাৰ পৰা এটা কথা স্পষ্ট যে মানৱ সম্পদ আৰু অৰ্থনৈতিক উন্নয়নৰ মাজত গুৰুত্বপূৰ্ণ সম্পৰ্ক আছে। মানৱ সম্পদে অৰ্থনৈতিক উন্নয়নত চালিকা শক্তিৰূপে কাম

কৰিব পাৰে। কিন্তু যদিহে দেশত জনবিস্ফোৰণে দেখা দিয়ে তেতিয়া মানৱ সম্পদে অৰ্থনৈতিক উন্নয়নত হেঙাৰ হিচাপেহে আখ্যা দিয়ে। গতিকে মানৱ সম্পদৰ যোগেদি আৰ্থিক উন্নয়ন লাভ কৰিবলৈ হ'লে প্ৰথমে দেশখনক অত্যাধিক জনসংখ্যা সমস্যাটোৰ পৰা উদ্ধাৰ কৰিব লাগিব। কোনো এখন দেশত উপযুক্ত মানৱ সম্পদে কেনেদৰে আৰ্থিক উন্নয়নত সহায় কৰে তাক তলত আলোচনা কৰা হ'ল।

(1) **কৃষি উন্নয়ন** ঃ আমাৰ দেশবোৰ হ'ল শ্ৰম প্ৰাধান্য দেশ। অনুন্নত অৰ্থনীতিসমূহত মূলধনৰ পৰিমাণ তেনেই সীমিত হয়। দক্ষ শ্ৰমিক, যন্ত্ৰপাতি ব্যৱহাৰৰ জ্ঞান, মূলধনৰ অভাৱ, উপযুক্ত উদ্যোক্তাৰ অভাৱত মূলধনৰ ব্যৱহাৰো নিচেই কম হয়। গতিকে দেশে উৎপাদনৰ ক্ষেত্ৰত কৃষিৰ ওপৰতে নিৰ্ভৰশীল হ'ব লগাত পৰে। গতিকে দেশৰ মানৱ সম্পদক কৃষি খণ্ডত উপযুক্তভাৱে ব্যৱহাৰ কৰি দেশৰ মুঠ উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰি আৰ্থিক উন্নয়নৰ গতি ক্ষীপ্ৰ কৰিব পৰা যায়।

(2) **প্ৰাকৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰ** ঃ কোনো এখন দেশত যিবিলাক প্ৰাকৃতিক সম্পদ অব্যৱহৃত হৈ থাকে তেনে প্ৰাকৃতিক সম্পদৰ উপযুক্ত ব্যৱহাৰৰ যোগেদি দেশখনৰ আৰ্থিক উন্নয়নৰ গতি ক্ষীপ্ৰ কৰিব পৰা যায়। অনুন্নত দেশসমূহত সাধাৰণতে অজস্ৰ প্ৰাকৃতিক সম্পদ ব্যৱহাৰ নোহোৱাকৈ থাকে। কিন্তু এই প্ৰাকৃতিক সম্পদসমূহক উপযুক্তভাৱে ব্যৱহাৰ কৰিবলৈ দক্ষ মানৱ সম্পদৰ অভাৱ হয়। কিন্তু মানৱ সম্পদ উন্নত হ'লে সীমিত প্ৰাকৃতিক সম্পদৰ জৰিয়তে দেশত আৰ্থিক উন্নয়ন ক্ষীপ্ৰ কৰিব পৰা যায়।

(3) **উন্নত কাৰিকৰী জ্ঞানৰ যথোপযুক্ত ব্যৱহাৰ** ঃ মানৱ সম্পদৰ অন্য এক গুৰুত্বপূৰ্ণ ভূমিকা হ'ল উৎপাদন কাৰ্য্যত উন্নত কাৰিকৰী জ্ঞানৰ ব্যৱহাৰ। যেতিয়া দেশৰ আগ্ৰহী জনসাধাৰণ বা শ্ৰমশক্তিক উপযুক্ত কাৰিকৰী জ্ঞানেৰে শিক্ষিত কৰি উৎপাদন কাৰ্য্যত ব্যৱহাৰ কৰা হয়, তেতিয়া উৎপাদন ব্যয় কমে আৰু আৰ্থিক কল্যাণ সাধন হয়।

(4) **শ্ৰমশক্তিৰ যোগান** ঃ অনুন্নত অৰ্থনীতিত মূলধনৰ যোগান আৰু ব্যৱহাৰ দুয়োটাই কম হোৱা দেখা যায়। এনে দেশত মানৱ সম্পদৰ ব্যৱহাৰে শ্ৰম যোগান সূচল কৰে। অন্যহাতেদি উন্নত দেশত মূলধনৰ ব্যৱহাৰ বেছি হ'লেও

শ্ৰমৰ জৰিয়তে মূলধন ব্যৱহাৰ সম্ভৱপৰ। গতিকে তেনে দেশতো শ্ৰমশক্তিৰ যোগানৰ প্ৰয়োজন আছে।

(5) **বিনিয়োগ সম্প্ৰসাৰণ** ঃ দেশ এখনত যিকোনো ধৰণৰ বিনিয়োগ বৃদ্ধি কৰিবলৈ হ'লে দেশত মানৱ মূলধনৰ যোগান বঢ়াব লাগিব। মানৱ সম্পদে বিনিয়োগ বৃদ্ধি কৰে। উৎপাদনী সামগ্ৰীৰ মানদণ্ড উন্নত কৰিব পাৰে। নতুন কৌশলৰ বৃদ্ধিয়ে উৎপাদনী সামগ্ৰীৰ উৎপাদনৰ পৰিমাণ আৰু উৎপাদনী ব্যয় হ্ৰাস কৰি উৎপাদনী ক্ষেত্ৰত সম্প্ৰসাৰণ কৰিব পাৰে।

(6) **নতুনত্ব আৱিস্কাৰ** ঃ যেতিয়া উৎপাদন কাৰ্য্যত মানৱ সম্পদ দীৰ্ঘদিন ধৰি লাগি থাকে তেতিয়া তেওঁলোকৰ অভিজ্ঞতা বাঢ়ে আৰু নতুন-নতুন কৌশল, যন্ত্ৰপাতি, উন্নত মানদণ্ডৰ সামগ্ৰী উৎপাদনৰ কৌশল আদি আৱিস্কাৰ কৰিব পাৰে।

এইদৰেই মানৱ সম্পদ দেশ এখনৰ অৰ্থনৈতিক উন্নয়নত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে।

6.3। **নিবনুৱা সমস্যা (Unemployment Problem)** ঃ বৰ্তমান সময়ত ধনী-দুখীয়া নিৰ্বিশেষে সকলো দেশতে দেখা পোৱা এটা উমৈহতীয়া সমস্যা হ'ল নিবনুৱা সমস্যা। অৱশ্যে দেশ আৰু অৱস্থানভেদে এই সমস্যাৰ প্ৰকৃতি ভিন্ন-ভিন্ন হোৱা দেখা যায়।

সাধাৰণ অৰ্থত যদি কোনো ব্যক্তিয়ে সক্ষমতা থকা স্বত্বেও লাভজনকভাৱে উৎপাদন কাৰ্য্যত কৰ্ম সংস্থাপনৰ সুবিধা লাভ নকৰে তেনে লোককে নিবনুৱা বোলা হয়। অৱশ্যে নিবনুৱা শব্দটোৰ প্ৰকৃত সংজ্ঞা দিবলৈ হ'লে স্বেচ্ছাকৃত নিবনুৱা আৰু অনিচ্ছাকৃত নিবনুৱা ধাৰণা দুটাৰ মাজৰ পাৰ্থক্য সম্পৰ্কে স্পষ্ট হ'ব লাগিব। নিবনুৱা ধাৰণাটো মাথোন কৰ্মক্ষমলোকৰ ক্ষেত্ৰতহে প্ৰযোজ্য হয় আমাৰ দেশত। 18 বছৰৰ পৰা 60 বছৰৰ ভিতৰৰ বয়সৰ লোককে কৰ্মক্ষম লোক বোলে। এই কৰ্মক্ষমলোক এজনে চলিত মজুৰিৰ হাৰত কাম কৰিবলৈ প্ৰস্তুত থকাৰ পিছতো যদি কৰ্মত নিয়োজিত হোৱাৰ সুবিধা নেপায় সেইসকলকহে নিবনুৱা আখ্যা দিয়া হয়। কিন্তু কৰ্ম সংস্থাপনৰ সুবিধা পায়ো যদি কাম নকৰে তেওঁক স্বেচ্ছাকৃত নিবনুৱা বোলে। পুনৰ প্ৰচলিত মজুৰিতকৈ অধিক মজুৰি বিচাৰিও বহুত লোকে কাম নকৰাকৈ থাকে, তেওঁলোকে